18-11-2026 প্রাতঃমুৰুলী ওঁম্ শান্তি! **"**বাপদাদা**"** মধুবন।

"মৰমৰ সন্তানসকল **–** তোমালোক মন-বাণী-কর্মত যথার্থ হ'ব লাগে**,** কিয়নো তোমালোক দেৱতাসকলতকৈও উচ্চ ব্রাহ্মণ টিকনি **(**আটাইতকৈ উচ্চ**)** হোৱা**"**

প্রশ্ন: সকলোতকৈ গুপ্ত আৰু সূক্ষ্ম কথা কোনটো যিটো সন্তানসকলেও কাচিৎহে বুজিব পাৰে?

উত্তৰ: শিৱবাবা আৰু ব্রহ্মা বাবাৰ প্রভেদ বুজা – এইটো সকলোতকৈ গুপ্ত আৰু সূক্ষ্ম কথা। এই ক্ষেত্রত বহুত সন্তান বিবুদ্ধিত পৰে। এইটো ৰহস্য স্বয়ং পিতাই শুনায় যে মই পুৰাই পুৰাই এইটো শৰীৰৰ দ্বাৰা তোমালোক সন্তানসকলক পঢ়াওঁ, বাকী এনেকুৱা নহয় যে মই গোটেই দিন এওঁৰ শৰীৰত আৰোহন কৰোঁ।

ওঁম্ শান্তি। আত্মিক পিতাই আত্মিক সন্তানসকলক বুজায়। সন্তানসকল কোন? ব্রাহ্মণ। এইটো কেতিয়াও নাপাহৰিবা যে মই ব্রাহ্মণ, দেৱতা হ'বলৈ গৈ আছোঁ। বর্ণকো স্মৰণ কৰিবলগীয়া হয়। ইয়াত তোমালোকৰ মাজত সকলো ব্রাহ্মণ। ব্রাহ্মণসকলক বেহদৰ পিতাই পঢ়ায়। এই ব্রহ্মাই নপঢ়ায়। শিৱবাবাই পঢ়ায়। ব্রহ্মাৰ দ্বাৰা ব্রাহ্মণকসকলহে পঢ়ায়। শূদ্রৰ পৰা ব্রাহ্মণ নোহোৱাকৈ দেৱতা হ'ব নোৱাৰে। উত্তৰাধিকাৰতো শিৱবাবাৰ পৰা পোৱা যায়। শিৱবাবাতো সকলোৰে পিতা। এই ব্রহ্মাক গ্রেণ্ড ফাদাৰ বুলি কোৱা হয়। লৌকিক পিতাতো সকলোৰে থাকেই। পাৰলৌকিক পিতাক ভক্তিমার্গত স্মৰণ কৰে। এতিয়া তোমালোক সন্তানসকলে বুজি পোৱা – এওঁ অলৌকিক পিতা, যাক কোনেও নাজানে। হওঁতে ব্রহ্মাৰ মন্দিৰ আছে। ইয়াতো (আবুত) প্রজাপিতা আদি দেৱৰ মন্দিৰ আছে। তেওঁক 'মহাবীৰ' বুলিও কয়, কোনোৱে 'দিলৱালা' বুলিও কয়। কিন্তু বাস্তৱত দিল লওঁতা হ'ল শিৱবাবা, ব্রহ্মা নহয়। সকলো আত্মাকে সর্বদা সুখী কৰোঁতা, আনন্দ দিওঁতা এজনেই পিতা। এয়াও কেৱল তোমালোক সন্তানসকলেহে জানা। জগততো মনুষ্যই একোৱেই নাজানে। আমি ব্রাহ্মণেই শিৱবাবাৰ পৰা উত্তৰাধিকাৰ লৈ আছোঁ। তোমালোকেও বাৰে বাৰে পাহৰি যোৱা। স্মৃতি অতি সহজ। যোগ শব্দটি সন্ন্যাসীসকলে ৰাখিছে। তোমালোকেতো পিতাক স্মৰণ কৰা। যোগতো সাধাৰণ শব্দ, ইয়াক যোগ আশ্রম বুলিও কোৱা নহ'ব। সন্তানসকল আৰু পিতা বহি আছে। সন্তানসকলৰ দ্বায়িত্ব হৈছে – বেহদৰ পিতাক স্মৰণ কৰা। আমি ব্রাহ্মণ, ককাৰ পৰা ব্রহ্মাৰ দ্বাৰা উত্তৰাধিকাৰ লওঁ সেইকাৰণে শিৱবাবাই কয় – যিমান সম্ভৱ স্মৰণ কৰি থাকা। চিত্রও লাগিলে স্মৃতিত ৰাখা। স্মৃতিতো থাকিব, মই ব্রাহ্মণ, পিতাৰ পৰা উত্তৰাধিকাৰ লওঁ। ব্রাহ্মণে কেতিয়াবা নিজৰ জাতিক পাহৰে জানো? তোমালোক শূদ্রৰ সংগত আহিলে ব্রাহ্মণবোধ পাহৰি যোৱা। ব্রাহ্মণতো দেৱতাসকলতকৈও উচ্চ কিয়নো তোমালোক ব্রাহ্মণ জ্ঞানপূর্ণ হোৱা। ভগৱানক সর্বজ্ঞ বুলি কয় নহয়। ইয়াৰ অর্থ এইটো নহয় যে সকলোৰে অন্তৰত কি আছে – সেয়া বহি চায়। নহয়, তেওঁৰ সৃষ্টিৰ আদি-মধ্য-অন্তৰ জ্ঞান আছে। তেওঁ হৈছে বীজৰূপ। বীজে বৃক্ষৰ আদি-মধ্য-অন্তক জানে। গতিকে এনেহেন পিতাক বহুত স্মৰণ কৰিব লাগে। এওঁৰ (ব্রহ্মাৰ) আত্মায়ো সেইজন পিতাক স্মৰণ কৰে। সেইজন পিতাই কয় – এৰোঁ (ব্রহ্মায়ো) মোক স্মৰণ কৰিলে তেতিয়াহে এই পদ পাব। তোমালোকেও স্মৰণ কৰিলে তেতিয়া পদ পাবা। পোন-প্রথমে তোমালোক শৰীৰ অবিহনে (অশৰীৰী হৈ) আহিছিলা। আকৌ অশৰীৰী হৈ উভতি যাব লাগে। অন্য সকলো দেহৰ সম্বন্ধীয় তোমালোকক দুখ দিওঁতা হয়, তেওঁলোকক কিয় স্মৰণ কৰা! যিহেতু তোমালোকে মোক পাইছা। মই তোমালোকক নতুন সৃষ্টিলৈ লৈ যাবলৈ আহিছোঁ। তাত কোনো দুখ নাই। সেয়া হ'ল দৈৱী সম্বন্ধ। ইয়াত স্ত্রী আৰু পুৰুষৰ সম্বন্ধত প্রথমে দুখ হয়, কিয়নো বিকাৰী হয়। তোমালোকক মই এতিয়া সেইখন সৃষ্টিৰ যোগ্য কৰি তোলোঁ য'ত বিকাৰৰ কথাই নাথাকে। এই কাম বিকাৰক মহাশত্রু বুলি কোৱা হৈছে, যিটোৱে আদি-মধ্য-অন্ত দুখ দিয়ে। ক্রোধৰ কাৰণে এনেকৈ নকয় যে ই আদি-মধ্য-অন্ত দুখ দিয়ে। নহয়,

কামক জিকিব লাগে, কাম বিকাৰেই আদি-মধ্য-অন্ত দুখ দিয়ে। পতিত কৰি তোলে। পতিত শব্দটি বিকাৰৰ ক্ষেত্রত কোৱা হয়। এইটো শত্রুৰ ওপৰত বিজয় প্রাপ্ত কৰিব লাগে। তোমালোকে জানা আমি সত্যযুগৰ দেৱী-দেৱতা হৈ আছোঁ। যেতিয়ালৈকে এইটো নিশ্চয় নহয় তেতিয়ালৈকে একো পাব নোৱাৰিবা।

পিতাই বুজায় – সন্তানসকল মন-বচন-কর্মত যথার্থ হ'ব লাগে। পৰিশ্রম আছে। জগতত এইটো কোনেও গম নাপয় যে তোমালোকে ভাৰতক স্বর্গ কৰি গঢ়ি তোলা। আগলৈ গৈ বুজিব, বিচাৰেও যে এক বিশ্ব, এক ৰাজ্য, এক ধর্ম, এক ভাষা হওক। তোমালোকে বুজাব পাৰা – আজিৰ পৰা 5 হাজাৰ বছৰ পূর্বে এক ৰাজ্য, এক ধর্ম আছিল, যাক স্বর্গ বুলি কোৱা হয়। ৰামৰাজ্য, ৰাৱণৰাজ্যকো কোনেও নাজানে। তোমালোকেও নাজানিছিলা। এতিয়া তোমালোক স্বচ্ছ বুদ্ধিৰ হৈছা, পুৰুষার্থৰ ক্রমানুসৰি। পিতাই বহি তোমালোকক বুজায় গতিকে নিশ্চয় পিতাৰ মতত চলা। পিতাই কয় – পুৰণি সৃষ্টিত থাকি পদুম ফুলৰ দৰে পৱিত্র হৈ থাকা। মোক স্মৰণো কৰি থাকা। পিতাই আত্মাসকলক বুজায়। আত্মাসকলকহে পঢ়াবলৈ আহিছোঁ এই কর্মেন্দ্রিয়ৰ দ্বাৰা। এয়াতো পুৰণা ছিঃ ছিঃ সৃষ্টি, ছিঃ ছিঃ শৰীৰ। তোমালোক ব্রাহ্মণ পূজাৰ যোগ্য নোহোৱা, গায়ন যোগ্য হোৱা। পূজনৰ যোগ্যতো দেৱতাসকল হয়। তোমালোকে শ্রীমতত বিশ্বক স্বর্গ কৰি তোলা সেইকাৰণে তোমালোকৰ গায়ন আছে, পূজা হ'ব নোৱাৰে। গায়ন নিশ্চয় তোমালোক ব্রাহ্মণসকলৰ হয়, দেৱতাসকলৰ নহয়। পিতাই তোমালোককেই শূদ্রৰ পৰা ব্রাহ্মণ কৰি তোলে। দেৱতাসকলৰ আত্মা আৰু শৰীৰ দুয়োটাই পৱিত্র। এতিয়া তোমালোক আত্মা পৱিত্র হৈ গৈ থাকা। শৰীৰ পৱিত্র নহয়। এতিয়া তোমালোকে ঈশ্বৰৰ মতত ভাৰতক স্বর্গ কৰি গঢ়ি আছা। তোমালোকো স্বর্গৰ যোগ্য হৈ আছা। সতোপ্রধান নিশ্চয় হ'ব লাগে। কেৱল তোমালোক ব্রাহ্মণসকলহে আছা যাক পিতাই বহি পঢ়ায়। ব্রাহ্মণৰ বৃক্ষ বৃদ্ধি হৈ গৈ থাকিব। ব্রাহ্মণ যি পৰিপক্ক হৈ যাব তেওঁলোকেই গৈ দেৱতা হ'ব। এয়া হৈছে নতুন বৃক্ষ, মায়াৰ ধুমুহাও আহে। সত্যযুগত কোনো ধুমুহা নাহে। ইয়াত মায়াই বাবাৰ স্মৃতিত থাকিবলৈ নিদিয়ে। আমি জানো যে বাবাৰ স্মৃতিৰেহে তমোপ্রধানৰ পৰা সতোপ্রধান হৈছোঁ। সকলো স্মৃতিত থকাৰ ওপৰত নির্ভৰ কৰে। ভাৰতৰ প্রাচীন যোগো প্রসিদ্ধ নহয় জানো। বিদেশৰ লোকসকলে বিচাৰে, কোনোবা আহি প্রাচীন শিকাওঁক।

এতিয়া যোগ দুই প্রকাৰৰ হয় - এটা হৈছে হঠযোগী, আনটো হৈছে ৰাজযোগী। তোমালোক হৈছা ৰাজযোগী। সেয়াতো বহুদিনৰ পৰাই চলি আহে। ৰাজযোগৰ বিষয়ে এতিয়া তোমালোকে গম পাইছা। সন্ন্যাসীয়ে ৰাজযোগৰ বিষয়ে কি জানে। পিতা আহি শুনাইছে - ৰাজযোগ মইহে আহি শিকাওঁ, কৃষ্ণইতো শিকাব নোৱাৰে। এয়া ভাৰতৰেই প্রাচীন যোগ, কেৱল গীতাত মোৰ সলনি কৃষ্ণৰ নাম দি দিছে। কিমান পার্থক্য হৈ গৈছে। শিৱ জয়ন্তী আছে গতিকে তোমালোকৰ বৈকুণ্ঠৰো জয়ন্তী আছে, য'ত কৃষ্ণৰ ৰাজ্য আছে। তোমালোকে জানা যে শিৱবাবাৰ জয়ন্তী আছে তেন্তে গীতাৰো জয়ন্তী আছে, বৈকুণ্ঠৰো জয়ন্তী হৈ আছে। তোমালোক পৱিত্র হৈ যাবা, কল্প পূর্বৰ দৰে স্থাপনা হৈ আছে গতিকে শিৱবাবাৰ জয়ন্তীয়েই স্বর্গৰ জয়ন্তী, বাবাহে আহি স্বর্গৰ স্থাপনা কৰে। এতিয়া পিতাই কয় - মোক স্মৰণ কৰা। স্মৰণ নকৰিলে মায়াই কিবা নহয় কিবা বিকর্ম কৰাই দিয়ে। স্মৰণ নকৰিলা লগে লগে চৰ খালা। স্মৃতিত থাকিলে চৰ খাবলগীয়া নহ'ব। এয়া মুষ্টিযুদ্ধ হয়। তোমালোকে জানা যে আমাৰ শত্রু কোনো মনুষ্য নহয়, ৰাৱণ শত্রু হয়। বিয়া কৰোৱাৰ পাছত কুমাৰ-কুমাৰীও পতিত হোৱাৰ বাবে ইজন সিজনৰ শত্রু হৈ পৰে। বিয়াত লাখ লাখ টকা খৰচ কৰে। পিতাই কয় - বিয়া মানে সর্বনাশ। এতিয়া পৰলৌকিক পিতাই আধ্যাদেশ জাৰী কৰিছে যে সন্তানসকল, এই কাম হৈছে মহাশত্রু, ইয়াৰ ওপৰত জয়ী হোৱা আৰু পৱিত্রতাৰ প্রতিজ্ঞা কৰা। কোনেও যাতে পতিত নহয়। এই বিকাৰেৰে জন্ম-জন্মান্তৰ তোমালোক পতিত হৈছা, সেইকাৰণে কাম মহাশত্রু বুলি কোৱা হয়। পিতাইতো বৰ ভালদৰে বুজায়। তোমালোকে 84 জন্ম কেনেকৈ ল'লা। এতিয়া উভতি যাব লাগে। তোমালোকৰতো বহুত শুদ্ধ অহংকাৰ থকা উচিত। আমি

আত্মাসকলে পিতাৰ মতত চলি ভাৰতক স্বৰ্গ কৰি গঢ়ি আছোঁ। আমিয়েই পুনৰ স্বৰ্গত ৰাজত্ব কৰিম। যিমান পৰিশ্রম কৰিবা সিমান উচ্চ পদ পাবা। লাগিলে ৰজা-ৰাণী হোৱা, লাগিলে প্রজা হোৱা। ৰজা-ৰাণী কেনেকৈ হয় সেয়াও দেখি আছা। "পিতাক অনুসৰণ কৰা" এনেকৈ গায়ন কৰা হয়। সেয়া এতিয়াৰ কথা। লৌকিক সম্বন্ধৰ বাবে কোৱা নহয়। এই পিতাই মত দিয়ে, মামেকম্ (কেৱল মোক; পৰমপিতাক) স্মৰণ কৰা তেতিয়া বিকর্ম বিনাশ হ'ব। তোমালোকে বুজি পোৱা যে আমি ভাল মতত চলোঁ, অনেকৰ সেৱা কৰোঁ। সন্তানসকল পিতাৰ ওচৰলৈ আহে গতিকে শিৱবাবায়ো সজীৱ কৰি দিয়ে সেইদৰে এৰোঁ সজীৱ কৰি তোলে। এৰোঁতো শিকি আছে নহয় জানো। শিৱবাবায়ো কয় - মই ৰাতিপুৱা (অমৃতবেলা) আহোঁ। বাৰু তাৰপাছত কোনোবা সাক্ষাৎ কৰিবলৈ আহিলে তেতিয়া জানো এই ব্রহ্মাই নুবুজাব। এনেদৰে ক'ব জানো যে (শিৱ) বাবা আপুনি আহি বুজাওঁক মই নুবুজাওঁ। এইটো অতি গুপ্ত গূঢ় কথা নহয় জানো। মইতো সকলোতকৈ ভালদৰে বুজাব পাৰোঁ। তোমালোকে এনেকৈ কিয় ভাবা যে শিৱবাবাইহে বুজায়। এওঁ নুবুজায় চাগৈ। এয়াও জানা যে কল্প পূর্বে এওঁ বুজাইছিল সেইবাবেতো এই পদ পাইছে। মম্মায়ো বুজাইছিল নহয়। তেৱোঁ উচ্চ পদ পায়। বাবাক তাত সূক্ষ্মবতনত দেখা পায় গতিকে সন্তানসকলে অনুসৰণ কৰিব লাগে। সমর্পিতও গৰিবসকলহে হয়। চহকীসকলতো সমর্পিত হ'ব নোৱাৰে। গৰিবসকলেহে কয় – বাবা এই সকলোবোৰ আপোনাৰ। শিৱবাবাতো দাতা হয়, তেওঁ কেতিয়াও নলয়। সন্তানসকলক কয় - এই সকলোবোৰ তোমালোকৰ। নিজৰ কাৰণে মহল ইয়াত বা তাত নির্মাণ নকৰোঁ। তোমালোককেই স্বৰ্গৰ মালিক কৰি তোলোঁ। এতিয়া এই জ্ঞান ৰত্নৰে জোলোঙা ভৰপূৰ কৰিব লাগে। মন্দিৰলৈ গৈ কয় - জোলোঙা ভৰপূৰ কৰি দিয়ক। কিন্তু কি প্রকাৰেৰে, কি বস্তুৰে জোলোঙা ভৰপূৰ কৰি দিয়ক? এতিয়া জোলোঙা ভৰপূৰ কৰোঁতাতো হৈছে লক্ষ্মী যিয়ে ধন দিয়ে। শিৱৰ ওচৰলৈতো (ধন বিচাৰি) নাযায়। কৃষ্ণৰ বাবে কয় যে গীতা শুনালে। কিন্তু কৃষ্ণৰ বাবে নকয় জোলোঙা ভৰপূৰ কৰি দিয়ক। শংকৰৰ ওচৰলৈ গৈ কয়। এনেকৈ ভাবে যে শিৱ আৰু শংকৰ এজনেই। শংকৰতো হৈছে জোলোঙা খালী কৰোঁতা, আমাৰ জোলোঙাতো কোনেও খালী কৰিব নোৱাৰে। বিনাশতো হ'বই। গায়নো কৰা হৈছে - ৰূদ্র জ্ঞান যজ্ঞৰ পৰা বিনাশ জ্বালা প্রজ্বলিত হ'ল। কিন্তু এনেকৈ কোনোবাই বুজে জানো।

তোমালোক সন্তানসকল গৃহস্থ ব্যৱহাৰতো থাকিব লাগে। পেচাগত কাম-কাজো কৰিব লাগে। পিতাই প্রত্যেকৰে নাড়ীৰ স্পন্দন (অৱস্থা) চাই মত দিয়ে কিয়নো পিতাই বুজি পায় যে মই কৰিবলৈ দিম আৰু কৰিব নোৱাৰিব, এনেকুৱা ৰায় কিয় দিওঁ। নাড়ীৰ স্পন্দন চাই ৰায় দিয়ে। এওঁৰ ওচৰলৈতো আহিব লাগিব। তেওঁ সম্পূর্ণ ৰায় দিব। সকলোৱে সুধিব লাগে - বাবা এই অৱস্থাত মই কি কৰা উচিত! এতিয়া কি কৰোঁ? পিতাই স্বর্গলৈতো লৈ যায়। তোমালোকে জানা আমিতো স্বর্গবাসী হ'বলৈ গৈ আছোঁ, এতিয়া আমি নৰকবাসী। তোমালোক এতিয়া নৰকতো নাই আৰু স্বর্গতো নাই। যিসকল ব্রাহ্মণ হয় তেওঁলোকৰ লংগৰ এই ছিঃ ছিঃ সৃষ্টিৰ পৰা উঠি গৈছে। তোমালোকে এতিয়া কলিযুগী সৃষ্টিৰ দাঁতি এৰি দিছা। কোনো কোনো ব্রাহ্মণ স্মৃতিৰ যাত্রাত তীব্রতাৰে আগবাঢ়ি গৈ আছে, কিছুমান লাহে লাহে। কোনোৱে হাত এৰি দিয়ে তেতিয়া শ্বাসৰুদ্ধ হৈ ডুবি মৰে অর্থাৎ আকৌ কলিযুগলৈ গুচি যায়। তোমালোকে জানা যে এতিয়া আমাক নাৱৰীয়াই লৈ গৈ আছে। সেই যাত্রাতো অনেক প্রকাৰৰ হয়। তোমালোকৰ যাত্রা এটাই, এয়া একেবাৰে অনন্য যাত্রা। অৱশ্যে হয় ধুমুহা আহে যিয়ে স্মৃতি খণ্ডিত কৰি দিয়ে। এই স্মৃতিৰ যাত্রাক ভালদৰে দৃঢ় কৰা, পৰিশ্রম কৰা। তোমালোক হৈছা কর্মযোগী। যিমান সম্ভৱ হাতেৰে কাম কৰা, অন্তৰেৰে পিতাক স্মৰণ কৰা। আধাকল্পৰ পৰা তোমালোক প্রেমিকা হৈ প্রিয়তমক স্মৰণ কৰি আহিছা। বাবা আমাৰ ইয়াত বহুত দুখ, এতিয়া আমাক সুখধামৰ মালিক কৰি তোলক। স্মৃতিৰ যাত্রাত থাকিলে তোমালোকৰ পাপ নাশ হৈ যাব। তোমালোকেই স্বৰ্গৰ উত্তৰাধিকাৰ পাইছিলা, এতিয়া হেৰুৱাইছা। ভাৰত স্বৰ্গ আছিল সেইবাবে কয় - প্রাচীন ভাৰত। ভাৰতক বহুত মান দিয়ে, সকলোতকৈ বিশালো হয়, সকলোতকৈ পুৰণাও হয়। এয়াতো তোমালোকে জানা বিনাশ সন্মুখত থিয় হৈ আছে। যিসকলে ভালদৰে

বুজি পায় তেওঁলোক ভিতৰি বহুত আনন্দিত হৈ থাকে। প্ৰদৰ্শনীলৈ কিমান আহে। আহমদাবাদত চোৱা কিমান সাধু-সন্ত আদি অনেক প্ৰকাৰৰ আহিল। কয় - আপোনালোকেতো সত্য কথা কয়। কিন্তু আমি পিতাৰ পৰা উত্তৰাধিকাৰ ল'ব লাগে, এইটো জানো বুদ্ধিত ধাৰণ হয়। ইয়াৰ পৰা বাহিৰ হ'লেই শেষ। তোমালোকে এতিয়া জানা যে পিতাই আমাক স্বৰ্গলৈ লৈ যায়। তাত গৰ্ভ কাৰাগাৰো নাথাকিব আৰু সেই কাৰাগাৰো নাথাকিব। পুনৰ কেতিয়াও কাৰাগাৰৰ মুখ দেখিবলৈ নাপাবা। দুয়োখন কাৰাগাৰেই নাথাকিব। ইয়াত এয়া সকলো হৈছে মায়াৰ পাম্প। আজিকালি প্ৰতিটো কথাই তৎক্ষণাৎ হয়। মৃত্যুও তৎক্ষণাৎ হৈ থাকে। সত্যযুগত এনেকুৱা কোনো উপদ্ৰপ নহয়েই। ইয়াত মৃত্যুও সোনকালে হ'ব, দুখো অধিক হ'ব। সকলো নাশ হৈ যাব। গোটেই ধৰণীয়েই নতুন হৈ যাব। সত্যযুগত দেৱী-দেৱতাসকলৰ ৰাজধানী আছিল, সেয়া আকৌ নিশ্চয় হ'ব। আগলৈ গৈ দেখিবা কি হয়! বহুত ভয়ংকৰ দৃশ্য। তোমালোক সন্তানসকলে সাক্ষাৎকাৰ কৰিছা। সন্তানসকলৰ বাবে মুখ্য হৈছে স্মৃতিৰ যাত্ৰা। এয়া হ'ল আৱোহণ কলাৰ যাত্ৰা। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) সদায় এইটো স্মৃতিত থাকিব লাগে যে আমি ব্ৰাহ্মণ। আমাক ব্ৰাহ্মণসকলকহে ভগৱানে পঢ়ায়। আমি এতিয়া ব্ৰাহ্মণৰ পৰা দেৱতা হৈ আছোঁ।

(2) জ্ঞান ৰত্নেৰে নিজৰ জোলোঙা ভৰপূৰ কৰি দান কৰিব লাগে। এই কলিযুগী পতিত সৃষ্টিৰ দাঁতি এৰি দিব লাগে। মায়াৰ ধুমুহালৈ ভয় কৰিব নালাগে।

বৰদান: জন্মসিদ্ধ অধিকাৰৰ নিচাৰে লক্ষ্য আৰু লক্ষণ সমান কৰি তোলোঁতা শ্ৰেষ্ঠ ভাগ্যৱান হোৱা

যেনেকৈ লৌকিক জন্মত স্থূল সম্পত্তি জন্মসিদ্ধ অধিকাৰ হয়, তেনেকৈ ব্ৰাহ্মণ জীৱনত দিব্য গুণৰূপী সম্পত্তি, ঈশ্বৰীয় সুখ আৰু শক্তি জন্মসিদ্ধ অধিকাৰ। জন্মসিদ্ধ অধিকাৰৰ নিচা স্বাভাৱিক ৰূপত থাকিলে পৰিশ্ৰম কৰাৰ প্ৰয়োজন নহয়। এইটো নিচাত থাকিলে লক্ষ্য আৰু লক্ষণ সমান হৈ যাব। নিজক যি হওঁ, যেনেকুৱা হওঁ, যিজন শ্ৰেষ্ঠ পিতা আৰু পৰিয়ালৰ হওঁ, তেনেকৈয়ে জানি আৰু মানি শ্ৰেষ্ঠ ভাগ্যৱান হোৱা।

স্লোগান: প্ৰতিটো কৰ্ম স্ব-স্থিতিত স্থিৰ হৈ কৰা, তেতিয়া সহজেই সফলতাৰ তৰা হৈ যাবা।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত: পিতা ব্ৰহ্মাৰ সমান সম্পন্ন আৰু সম্পূৰ্ণ স্থিতিৰ অনুভৱ কৰা:

এক ছেকেণ্ডত বাণীত আহা আৰু এক ছেকেণ্ডত বাণীৰ উৰ্দ্ধত গুচি যোৱা। এতিয়াই বাণীত, এতিয়াই বাণীৰ উৰ্দ্ধত... যেতিয়া এইটো অভ্যাস সৰল আৰু সহজ হৈ যাব, তেতিয়া বুজিবা যে সম্পূৰ্ণতা সমীপত। এতিয়া তোমালোকৰ প্ৰতিটো কৰ্মেন্দ্ৰিয়ই "হয় হুজুৰ", "হয় হাজিৰ" বুলি চলক। এনেকৈ যেতিয়া তোমালোক ৰাজ্য অধিকাৰীসকলক এই কৰ্মেন্দ্ৰিয়সমূহে স্বাগতম্ অৰ্থাৎ চালাম জনাব, তেতিয়া সম্পন্ন আৰু সম্পূৰ্ণ কৰ্মাতীত হ'ব পাৰিবা।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]